**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। অৰুণাচল প্ৰদেশৰ ২৭টা স্থানক চীনে নতুন নামেৰে নামাকৰণ কৰাৰ প্ৰচেষ্টাক ভাৰতৰ স্পষ্টভাৱে অস্বীকাৰ।

২। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহান অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ তিনিখন ৰাজ্যৰ চাৰিদিনীয়া ভ্ৰমণসূচীৰে নগাঁও জিলাৰ কাঞ্চনজুৰিত উপস্থিত।

৩। অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটা সেনাবাহিনীৰ সফলতাক লৈ আকাশবাণীৰ বিশেষ শৃংখলা।

৪। দিছপুৰৰ জনতা ভৱনত বিদ্যালয় শিক্ষা বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰ পৰ্যালোচনা বৈঠক। **আৰু**

৫। বেংককত অনুষ্ঠিত থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি কেইবাগৰাকীও ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ।

০০০০০০

অৰুণাচল প্ৰদেশৰ ২৭ টা স্থানক চীনে নতুন নামেৰে নামাকৰণ কৰাৰ প্ৰচেষ্টাক ভাৰতে স্পষ্টভাৱে অস্বীকাৰ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে এই প্ৰসংগত কয়, যে নামাকৰণ কৰিলেই সত্য সলনি নহয়। চীনৰ এনেধৰণৰ কাৰ্য মুঠেও গ্ৰহণযোগ্য নহয় আৰু ই ভাৰতৰ সু-সংগত আৰু সিদ্ধান্তবাদী স্থিতিৰ সম্পূৰ্ণ বিপৰীত বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয়, যে অৰুণাচল প্ৰদেশ যে ভাৰতৰ অভিন্ন আৰু অবিচ্ছেদ্য অংগ আৰু আগলৈও হৈ থাকিব, সেই স্পষ্ট আৰু ধ্ৰুৱসত্যক এখন দেশৰ অযুক্তিকৰ নামাকৰণে সলনি কৰিব নোৱাৰে। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি চীনে এনেধৰণৰ কাৰ্যকলাপ কৰি অহাৰ উপৰি যোৱা বছৰৰ এপ্ৰিলত ৰাজ্যখনৰ কেইবাটাও স্থানৰ নামাকৰণ কৰি এখন তালিকা প্ৰকাশ কৰিছে। এই সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে নাম সৃষ্টি কৰিলে বাস্তৱ সলনি হৈ নাযায় বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰিছিল।

উল্লেখযোগ্য যে চীনৰ অসামৰিক পৰিক্ৰমা মন্ত্ৰালয়ে অৰুণাচলৰ ১৫ খন পৰ্বত, ৫টা আবাসিক এলেকা, ৪টা গিৰিপথ, দুখন নদী আৰু এটা হ্ৰদৰ নতুনকৈ নামাকৰণ কৰিছে। চীনা, তিববতী, পিন’য়িন আদি অঞ্চলৰ বৈশিষ্ট আৰু স্থানীয় ভাষাৰ সৈতে সংগতি ৰাখি ঠাইসমূহৰ নামাকৰণ কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাটাও কাৰ্যসূচীৰে গোৱালপাৰা জিলাত উপস্থিত হ’ব। মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত নিৰ্মাণ হ’বলগীয়া চিকিৎসা মহাবিদ্যালয় আৰু তাপবিদ্যুৎ প্ৰকল্পৰ বাবে আৱণ্টিত ভূমি পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে তেওঁ জিলাখনৰ মৰনৈত থকা মাটিয়া উদ্যোগিক বিকাশ কেন্দ্ৰটোও পৰিদৰ্শন

কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে দুপৰীয়াৰ গুৱাহাটীৰ পৰা পোনে পোনে হেলিকপ্টাৰেৰে গোৱালপাৰা আগিয়াৰ বালিজানত উপস্থিত হোৱাৰ কথা। জিলাখনত মুখ্যমন্ত্ৰীৰ বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত জনাব এয়া আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইনে–

**ভইচ (ৰছিদুল হুছেইন)**

০০০০০০

কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ তিনিখন ৰাজ্যৰ চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি বিয়লি নগাঁও জিলাৰ কাঞ্চনজুৰিত উপস্থিত হয়। কৃষিমন্ত্ৰী অতুল বৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক পৰিয়ালসহ আদৰণি জনায়। এই ভ্ৰমণে অসমৰ কৃষি আৰু উদ্যানশস্য খণ্ডলৈ নতুন সম্ভাৱনা কঢ়িয়াই অনাৰ লগতে কৃষকসকলৰ বাবে বিকাশ আৰু সহযোগিতাৰ নতুন পথ প্ৰশস্ত কৰিব বুলি মন্ত্ৰী বৰাই আশা প্ৰকাশ কৰে। এই ভ্ৰমণকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কৃষি, উদ্যান শস্য, পশুপালন আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প পৰ্যালোচনা কৰাৰ লগতে ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ভালেসংখ্যক কৃষক তথা হিতাধিকাৰীৰ সৈতেও মত-বিনিময় কৰিব। মন্ত্ৰীগৰাকীয়ে ২৯ মে'ত দেশজুৰি আৰম্ভ হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযানত ৰাজ্যসমূহৰ সহযোগিতা সম্পৰ্কেও আলোচনা কৰিব। আজি শ্ৰীচৌহানে মিজোৰামত কৃষি মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি দুপৰীয়াৰ ভাগত নাগালেণ্ডৰ জুলুকিস্থিত পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন মহাবিদ্যালয়ৰ প্ৰশাসনিক আৰু শৈক্ষিক ভৱন মুকলি কৰিব। কাইলৈ মন্ত্ৰীগৰাকীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰাৰ লগতে ৰাজ্যখনৰ কৃষি মন্ত্ৰী আৰু সাংসদসকলৰ সৈতে মত-বিনিময় কৰিব। পৰহিলৈ শ্ৰীচৌহানে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ কামাখ্যা মন্দিৰো দৰ্শন কৰিব।

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীৰ বাতৰি বিভাগে এলানি বিশেষ শৃংখলা প্ৰচাৰৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি আকাশবাণী দিল্লী কেন্দ্ৰই পৰমবীৰ চক্ৰ লাভ কৰা দেশৰ বীৰ সেনানীসকলৰ বীৰগাথা আজিৰ পৰা প্ৰতিখন বাতৰি বুলেটিনতে প্ৰচাৰ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও সৈনিকসকলৰ সন্মানাৰ্থে আজিৰে পৰা বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰিবলৈ লৈছে। আজিৰ বুলেটিনত আমি ১৯৭১ চনৰ বাংলাদেশ মুক্তি যুদ্ধত অংশগ্ৰহণ কৰা বৰাক উপত্যকাৰ বীৰ সেনা আৰ কে বীৰেণ চানাৰ গাথা লৈ আহিছো। কাছাৰ জিলাৰ বৰখলা বিধানসভা সমষ্টিৰ অন্তৰ্গত জাৰইলতলা গাঁৱত অৱসৰপ্ৰাপ্ত সেনা চানাই ২৮ বছৰ ভাৰতীয় সেনাত সেৱা আগবঢ়াইছিল। ছিলেটত নিয়োজিত চানা আৰু তেওঁৰ সহযোদ্ধাসকলে মুক্তি বাহিনীৰ সৈতে একেলগে পাকিস্তানী বাহিনীৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। সেই যুদ্ধৰ কথা স্মৰণ কৰি চানাই শিলচৰৰ পৰা আমাৰ কাছাৰৰ সংবাদদাতা আখি ৰাণী দাসৰ আগত এইদৰে কয় –

**বাইট**

তেওঁ কয়, যে বৰ্তমান উত্তেজনা কোনো কাৰণতে পূৰ্ণ যুদ্ধলৈ নাযায়। পাকিস্তান ভাৰতীয় সেনাৰ শক্তিৰ বিষয়ে ভালদৰে অৱগত বুলি তেওঁ মন্তব্য কৰে। অপাৰেচন সিন্দূৰ আৰু মুক্তি যুদ্ধৰ তুলনা কৰি অৱসৰপ্ৰাপ্ত সৈনিকগৰাকীয়ে কয়।

আকাশবাণী গুৱাহাটী কেন্দ্ৰ বাতৰি বিভাগে পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত, ১৮ মে'ৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব।

০০০০০০

দেশৰ সুৰক্ষাৰ বাবে সেনাসকলে কৰা ত্যাগ আৰু বলিদানৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰজুৰি ১১ দিনীয়া **শৌৰ্য সন্মান যাত্ৰা** শীৰ্ষক ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী অব্যাহত আছে। অসম প্ৰদেশ বিজেপিয়ে কালি আদাবাৰীৰ অটল উদ্যানৰ পৰা কামাখ্যা মন্দিৰৰ নামনিলৈ ত্ৰিৰংগ যাত্ৰা উলিয়ায়। বিজেপিৰ নেতা-কৰ্মীৰ উপস্থিতিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাৰ শুভাৰম্ভ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, সাংসদ বিজুলী কলিতা মেধিকে ধৰি দলৰ কৰ্মকৰ্তাসকলে হাতে হাতে পতাকা লৈ, বন্দে মাতৰম ধ্বনি দি এই যাত্ৰাত অংশ লয়। ত্ৰিৰংগ যাত্ৰাত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে সেনাই গৌৰৱ আৰু পৰাক্ৰমৰ নিদৰ্শন দাঙি ধৰিছে।

ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচীত ভাৰতীয় সেনাৰ বহুকেইগৰাকী অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়ায়েও অংশগ্ৰহণ কৰে। এই যাত্ৰাৰ সৈতে সংগতি ৰাখি সন্ধিয়া বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অপাৰেচন সিন্দূৰ তথা ভাৰতবৰ্ষৰ এই গৌৰৱময় ক্ষণ সন্দৰ্ভত এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই প্ৰদৰ্শনী উদ্বোধন কৰি এনেদৰে কয় –

**ভইচ চি এম**

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি দিছপুৰৰ জনতা ভৱনত বিদ্যালয় শিক্ষা বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ২০২৫-২৬ বৰ্ষৰ বাবে বাজেট ধাৰ্য কৰা আঁচনিসমূহৰ সামগ্ৰিক পৰ্যালোচনা কৰা হয়। নৱম শ্ৰেণীৰ শিক্ষাৰ্থীলৈ চাইকেল বিতৰণ, মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি, শিক্ষাৰ্থীৰ বিনামূলীয়া নামভৰ্তি, উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰা হাইস্কুলৰ শৈক্ষিক আৰু আন্তঃগাঁথনিৰ পৰিৱেশ মূল্যায়নৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়। লগতে ২৫ খন বড়ো মাধ্যমৰ মধ্য ইংৰাজী বিদ্যালয়ক আদৰ্শ হাইস্কুললৈ উন্নীতকৰণৰ যাৱতীয় অগ্ৰগতিৰ বিষয়ে বুজ লোৱাৰ উপৰি টিউটৰৰ মজুৰী আৰু শিক্ষকলৈ পদোন্নতি সন্তৰ্ভতো বিশদভাৱে আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে প্ৰধান শিক্ষক আৰু অধ্যক্ষ বাছনি প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ বিষয়েও বুজ লয়। বিদ্যালয় শিক্ষাৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্যৰে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত পৰিচালিত বিভিন্ন কাম-কাজৰ দ্ৰুত ৰূপায়ণত গুৰুত্ব আৰোপ কৰা বুলি শিক্ষামন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

অসম আৰক্ষীয়ে ৰাজ্যজুৰি নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। শ্ৰীভূমি আৰক্ষীয়ে কালি অভিযান চলাই ৩ কোটি ৫০ লাখ টকা মূল্যৰ ড্ৰাগছ জব্দ কৰিবলৈ সমৰ্থ হৈছে। গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে জিলাখনৰ নিলামবজাৰ ৰে'লষ্টেচনত অভিযান চলাইছিল। আৰক্ষীৰ এই অভিযানত ৬১৬ গ্ৰামৰো অধিক ড্ৰাগছ জব্দ হোৱাৰ লগতে দুগৰাকী মহিলা ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। এইপৰ্যন্ত অসম আৰক্ষীয়ে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত বিভিন্ন জিলাৰ পৰা ৬১ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শোণিতপুৰ আৰু শ্ৰীভূমি জিলাৰ পৰা ৪ জনকৈ লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে। আৰক্ষীৰ এই অভিযানত কাছাৰ জিলাৰ পৰা সৰ্বাধিক দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগ ৮ জনকৈ লোকক গ্ৰেপ্তাৰ কৰে। লগতে ধুবুৰী জিলাৰ পৰাও ৭ জন লোক আৰক্ষীয়ে একে অভিযোগৰ ভিত্তিত গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা, হাইলাকান্দি, লখিমপুৰ আৰু বৰপেটা জিলাৰ পৰা তিনিজনকৈ লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। দৰং, গোলাঘাট, শিৱসাগৰ, বঙাইগাঁও আৰু ওদালগুৰি  জিলাত আৰক্ষীয়ে অভিযান চলাই এজনকৈ লোকক গ্ৰেপ্তাৰ কৰে। হোজাই, কাৰ্বি আংলং, কোকৰাঝাৰ, কামৰূপ, নগাঁও, মৰিগাঁও, দক্ষিণ শালমাৰা, বিশ্বনাথৰ আৰু তামুলপুৰ জিলাৰ পৰা দুজনকৈ লোকক গ্ৰেপ্তাৰ কৰা বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০০

বেংককত অনুষ্ঠিত থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি কেইবাগৰাকীও ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ হ'ব। পুৰুষৰ ছিংগলছত থাৰুণ মন্নেপল্লী, ডেনমাৰ্কৰ এণ্ড্ৰু এণ্টনছেনৰ সন্মুখীন হ'ব। মন্নেপল্লীয়ে মালেছিয়াৰ জাষ্টিন হোক ২১-১৯, ২১-১৬ গেমত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

মহিলাৰ ছিংগলছত মালবিকা বনছোড় থাইলেণ্ডৰ ৰত্ছানকো ইণ্টানোনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে উন্নতি হুদা থাইলেণ্ডৰ পোৰ্ণপাৱী চোচুৱঙৰ আৰু আকাৰ্শী কাশ্যপ থাইলেণ্ডৰে আন এগৰাকী খেলুৱৈ ছুপনিদা কটেথোঙৰ সন্মুখীন হ'ব।

ইপিনে, মহিলাৰ ডাবলছত ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ ছায়াকা হোব্ৰা আৰু ৰুই হিৰোকামীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ত্ৰিষা আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে মালয়েছিয়াৰ অং শ্বিন য়ী আৰু কাৰমেন টিঙক ২১-১৫, ২১-১৩ গেমত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০

ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গৱাইৰ দেশৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ, বিজেপিৰ ত্ৰিৰংগ যাত্ৰা, চীনে অৰুণাচলৰ ২৭টা স্থানৰ নাম সলনি কৰা, ভাৰতৰ প্ৰথমগৰাকী সদস্যা হিচাপে অসম কন্যা ড০ উপাসনা মহন্তৰ কেম্ব্ৰিজ ইণ্টাৰনেচনেলৰ ষ্ট্ৰেজিক হায়াৰ এড্যুকেচন এডভাইজৰী কাউন্সিলত নিযুক্তি, পঞ্চায়ত নিৰ্বাচনৰ সম্পূৰ্ণ ফলাফল প্ৰকাশ আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

ভাৰতৰ দুঃচিন্তা বৃদ্ধি কৰি মহম্মদ ইউনুছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে সামৰিক শক্তি বৃদ্ধিৰ চেষ্টা চলোৱা বাতৰিটো আজি দৈনিক অসম কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

শেহতীয়া সংঘৰ্ষত পাকিস্তানক সহায় কৰাৰ বাবে তুৰস্কৰ সৈতে ভাৰতৰ সম্পৰ্কৰ অৱনতি ঘটাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **যুদ্ধত পাকিস্তানক সহায় কৰাৰ পৰিণতি ঃ তুৰস্কৰে সকলো বাণিজ্য বন্ধ কৰাৰ দিশে ভাৰত** শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক আমাৰ অসম কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। ইপিনে ভাৰতৰ আক্ৰমণত পৰিয়ালৰ সদস্য হেৰুৱাই মাছুদ আজহাৰক পাকিস্তান চৰকাৰে ১৪ কোটি টকা প্ৰদানৰ বাতৰিটোক অসমীয়া প্ৰতিদিন, আমাৰ অসম, দৈনিক অগ্ৰদূত আদি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ বিশিষ্ট চিন্তাবিদ, ইতিহাসবিদ, অধ্যাপক উদয়াদিত্য ভৰালীক অহা ১৮ মে'ত চলিত বৰ্ষৰ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰাৰ হ'ব বুলি বাতৰি এটাও আজি দৈনিক জমনভূমি গুৱাহাটীৰ পৰা প্ৰকাশিত ভালেকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। ইপিনে বিধায়ক আমিনুল ইছলামক জামিন লাভৰ পাছতে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত পুনৰ গ্ৰেপ্তাৰ কৰাৰ বাতৰিটোক দা ছেণ্টিনেল কাকতে MLA AMINUL ISLAM RE-ARRESTED UNDER NSA শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ আৰু দি আছাম ট্ৰিবিউন কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি বাতৰিৰ মাজলৈ ঘূৰি যাও।

oooooo

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত দীঘলা গাঁও নিবাসী তথা নাহকটীয়া পৌৰসভাৰ ৭ নম্বৰ ৱাৰ্ডৰ সদস্য পৰশমণি হাজৰিকাৰ যোৱানিশা নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৮ বছৰ। সাংস্কৃতিক কৰ্মী আৰু সামাজিক দায়বদ্ধ ব্যক্তি হাজৰিকাৰ মৃত্যুত নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে শোক প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

oooooo

সমাপ্ত